# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 13-10-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ উপলক্ষে ৰাজ্যৰ নামঘৰ, সত্ৰসমূহত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা থানকে ধৰি নগাঁও জিলাৰ বিভিন্ন প্ৰান্ততো বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ তিথি পালন কৰা হৈছে। বিশেষকৈ বটদ্ৰৱা সত্ৰত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হৈছে। ইপিনে, নগাঁও জিলা সত্ৰ মহাসভাৰ উদ্যোগত কলিয়াবৰৰ জখলাবন্ধা সত্ৰত গুৰুজনাৰ জন্মোৎসৱ সমূহীয়াভাৱে আয়োজন কৰা হৈছে।

মহাপুৰুষীয়া বৈষ্ণৱ পন্থাৰ পীঠস্থান মাজুলীৰ সত্ৰসমূহতো তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ জন্মোৎসৱ অনুষ্ঠিত কৰা হৈছে। বিভিন্ন নামঘৰত বৰগীত, দিহানাম আৰু চিত্ৰাংকন প্ৰতিযোগিতা আয়োজন কৰা হৈছে। কালি পুৱাৰ ভাগত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হোৱাৰ পাছত ধৰ্মালোচনা সভাৰ লগতে নিশালৈ মাজুলীৰ প্ৰায়সংখ্যক নামঘৰত ভাওনা পৰিৱেশন কৰা হয়।

সত্ৰনগৰী বৰপেটাৰ লগতে জিলাখনৰ প্ৰায় সকলো সত্ৰ, নামঘৰত মহাপুৰুষজনাৰ আৱিৰ্ভাৱ তিথি পালন কৰা হৈছে। বৰপেটা সত্ৰত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱ পালন কৰা হয়। এই উপলক্ষে নাম প্ৰসংগ, ভাগৱত ভ্ৰমণ, ধৰ্মালোচনা সভা আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। সত্ৰৰ ঐতিহ্যমণ্ডিত টুপৰ চোতালত আইসকলৰ নামেৰে আজি আৱিৰ্ভাৱ কাৰ্যসূচীৰ সামৰণি পৰে। একেদৰে গুৰুজনাই জীৱনৰ সৰ্বাধিক সময় অতিবাহিত কৰা পাটবাউসীৰ শংকৰদেৱৰ থান, সুন্দৰীদিয়া সত্ৰ, গণককুচি সত্ৰ, বাৰাদি সত্ৰ, কমাৰকুচি সত্ৰ আদিত আৱিৰ্ভাৱ মহোৎসৱৰ আয়োজন কৰা হৈছে। বৰপেটা ৰোডৰ শাখা সত্ৰ-নামঘৰত তিনিদিনীয়া কাৰ্যসূচীৰে আৱিৰ্ভাৱ মহোৎসৱ অনুষ্ঠিত হৈছে। হাউলীৰ দলাগাঁৱতো দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে কালিৰে পৰা জন্মোৎসৱ পালন কৰা হয়।

গুৱাহাটী মহানগৰীত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ১২৯ খন শাখাই নামঘৰসমূহত মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰিছে। এই উপলক্ষে আজি প্ৰাতঃ প্ৰসংগ, পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, শোভাযাত্ৰা, ধৰ্মালোচনা সভাকে ধৰি বিভিন্ন কাৰ্যসূচী শাখাসমূহে আয়োজন কৰিছে। ইপিনে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত আৰু গুৱাহাটী মহানগৰীৰ জিলা শাখাৰ আতিথ্যত তথা বৃহত্তৰ গুৱাহাটীৰ ৰাইজৰ সহযোগত অহা ১৯ আৰু ২০ অক্টোবৰত ৰূপনগৰৰ বংশীৰাম বড়ো সমন্বয় ক্ষেত্ৰত কেন্দ্ৰীয়ভাৱে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হ'ব। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ হাজো জিলা শাখাৰ উদ্যোগতো মহাপুৰুষজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উলহ মালহেৰে পালন কৰা হয়। জিলা শাখাৰ শিশু, যুৱ আৰু আই মাতৃ সমাৰোহৰ কাৰ্যসূচীও আৱিৰ্ভাৱ মহোৎসৱৰ লগত সংগতি ৰাখি অহা ২৫ আৰু ২৬ অক্টোবৰত পৰিকল্পনা কৰি হৈছে।

ওদালগুৰিতো ৩ দিনীয়া কাৰ্যসূচীৰে পালন কৰা আৱিৰ্ভাৱ মহোৎসৱৰ প্ৰথম দিনা বীৰ নাম পৰিবেশন কৰাৰ লগতে ভাগৱত ভ্ৰমণৰে চহৰখন পৰিভ্ৰমণ কৰা হয়। কোকৰাঝাৰৰ গোসাইগাওঁত শ্ৰীমন্ত শংকৰদেৱ

শাখা সত্ৰই আয়োজন কৰা আৱিৰ্ভাৱ মহোৎসৱৰ আজি দ্বিতীয় দিনা উলিওৱা ভাগৱত শোভাযাত্ৰাত অসম সত্ৰ মহাসভাৰ সভাপতি উপস্থিত থাকে।

তিনিচুকীয়াত মহাপুৰুষজনাৰ জন্মোৎসৱ উপলক্ষে জিলাৰ নামঘৰসমূহ হৰিনামেৰে মুখৰিত হৈ উঠে। তিনিচুকীয়া নগৰৰ সমীপৰ ৰঙাগড়াত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৰ জন্মোৎসৱ উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। তৈল নগৰী ডিগবৈতো গুৰুজনাৰ জন্মোৎসৱ নানা জাতি জনগোষ্ঠী আৰু  ধৰ্মীয় পৰম্পৰাৰ লোকসকলৰ উপস্থিতিত উষাকীৰ্তন, ভাগৱত ভ্ৰমণ আৰু নাম প্ৰসংগৰ দৰে কাৰ্যসূচীৰ ৰূপায়ণেৰে পালন কৰা হয়।

ধুবুৰী জিলাৰ গোলকগঞ্জৰ ৰামৰাইকুটি সত্ৰৰ লগতে কোচবিহাৰৰ মধুপুৰ সত্ৰত দিনজোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন হয়। মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ ভকতৰ পৰিচালনাত পুৱা প্ৰভাতী কীৰ্তনেৰে জন্মোৎসৱৰ শুভাৰম্ভণি কৰা হৈছিল। এই উপলক্ষে মধুপুৰ সত্ৰ চৌহদৰ পৰা ভাগৱত শোভাযাত্ৰা উলিওৱা হয়।

গোৱালপাৰা জিলাৰ সত্ৰ আৰু নামঘৰসমূহতো শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উপলক্ষে বিভিন্ন ভক্তিমূলক কাৰ্যসূচী অনুষ্ঠিত হয়। গোৱালপাৰা নগৰৰ শ্যামৰাই সত্ৰত এইবাৰ ১০ অক্টোবৰৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ আৱিৰ্ভাৱ তিথি উদ্‌যাপন কৰা হৈছে। একেদৰে জিলাখনৰ বগুৱানৰ ঐতিহাসিক হাটীসত্ৰতো জন্মোৎসৱৰ পালন কৰা হয়।

দেশৰ ৰাজধানী দিল্লী চহৰতো আজি উলহ মালহেৰে মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰা হয়। দিল্লীৰ অসম হাউচত কীৰ্তন সংঘৰ উদ্যোগত সম্পূৰ্ণ অসমীয়া ৰীতি-নীতিৰে নাম প্ৰসংগ আৰু আনুসংগিক কাৰ্যসূচী ৰূপায়ণ কৰি গুৰুজনাৰ আৱিৰ্ভাৱ তিথি পালন কৰা হয়। কাৰ্যসূচীত ৩ শতাধিক লোকে অংশগ্ৰহণ কৰে।

ooooo

অসম চৰকাৰে অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ **ভাষা গৌৰৱ সপ্তাহ** পালন কৰিব। এই সপ্তাহৰ কাৰ্যসূচী হিচাপে বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয় আৰু নাগৰিক সমাজৰ সংগঠনসমূহৰ সহায়ত অসমীয়া সাহিত্যিক, পণ্ডিতসকলৰ অৱদানক সন্মান জনোৱা হ'ব। উল্লেখযোগ্য যে যোৱা ৩ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়া হৈছিল। এই স্বীকৃতি উদযাপনৰ বাবে অসমীয়া ভাষা উত্তৰণৰ দিশত অৰিহণা আগবঢ়োৱা সাহিত্যিক আৰু পণ্ডিতসকলৰ সৃষ্টি কৰ্মৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ইয়াৰ জৰিয়তে অসমৰ জনসাধাৰণে অসমীয়া ভাষাক দিয়া যথাযোগ্য স্বীকৃতিৰ বাবে প্ৰধানমন্ত্ৰী মোদীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooo

অসমৰ দীতিমণি সোণোৱাল আৰু সুদিত্য বৰুৱাই হিমাচল প্ৰদেশত চলি থকা আই ডব্লিউ এল এফ জুনিয়ৰ যুৱ আৰু ছিনিয়ৰ ৰাষ্ট্ৰীয় ভাৰোত্তোলন প্ৰতিযোগিতাত সোণ আৰু ৰূপৰ পদক অৰ্জন কৰিছে। আজি নিশা সামৰণি পৰিবলগীয়া এই প্ৰতিযোগিতাত অসমে এতিয়ালৈ ৫টা সোণ, ৫টা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ১৪টা পদক লাভ কৰিছে। পুৰুষৰ ৮৯ কিলোগ্ৰাম শাখাত সুদিত্য স্নেছত ১৪০ কেজি, ক্লিন এণ্ড জাৰ্কত ১৭৫ কেজিসহ মুঠ ৩১৫ কিলোগ্ৰাম ভাৰোত্তোলনেৰে সোণৰ পদক অৰ্জন কৰে। একেদৰে দীতিমণিয়ে মহিলাৰ ৬৪ কিলোগ্ৰাম শাখাত মুঠ ২১০ কিলোগ্ৰাম ভাৰোত্তোলন কৰি ৰূপৰ পদক অৰ্জন কৰে। অসমৰ সংগীতা সাদানিধৰে

জুনিয়ৰ ছোৱালীৰ ৭৬ কিলোগ্ৰাম শাখাত ৰূপ, চাণক্য বৰাই ১০২ কিলোগ্ৰাম যুৱ শাখাত ব্ৰঞ্জ আৰু ভাৱনা গগৈয়ে ৫৯ কিলোগ্ৰাম যুৱ শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

ooooo

সমাপ্ত